# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2024 **Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১। আজিৰপৰা অসম বিধানসভাৰ শৰৎকালীন অধিৱেশন।

২। কেবিনেটত অসমত মুছলমান বিবাহ আইন, অৰুণোদয় আঁচনিৰে নাৰী সৱলীকৰণ, জীৱিকা সখী এক্সপ্ৰেছ আঁচনি, ঐতিহ্যমণ্ডিত স্থানৰ পৱিত্ৰতা সংৰক্ষণ আদি বিষয়ক ভালেকেইটা সিদ্ধান্ত গ্ৰহণ।

৩। ৰাজ্যত প্ৰতি ইউনিট বিদ্যুতৰ মাচুল অহা ১ এপ্ৰিলৰ পৰা এটকাকৈ হ্ৰাস।

৪। শ্ৰীমন্ত মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে বন্ধৰ দিন কাইলৈ অৰ্থাৎ ২৩ আগষ্টৰ পৰিৱৰ্তে ২৪ আগষ্ট ধাৰ্য ৰাজ্য চৰকাৰৰ।

আৰু

৫। ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণৰ জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ।

0000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আজিৰে পৰা দিছপুৰত অনুষ্ঠিত হ'ব। ৩০ আগষ্টলৈ চলিবলগীয়া এই অধিবেশনৰ আজি প্ৰথম দিনা শৰৎকালীন অধিবেশনৰ কাৰ্যসূচী স্থিৰ কৰা হ'ব। এই অধিবেশনত ৰাজহ বিভাগৰ দুখন বিধেয়ক উত্থাপনৰ লগতে ২০২৪-২৫ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী উত্থাপন তথা চৰকাৰী বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। ২৭ আগষ্টত সংকল্প প্ৰস্তাৱ আৰু আন কেইখনমান বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। ২৮ আগষ্টত পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা আৰু ভোটদান হ'ব বুলি জানিব পৰা গৈছে। এইবাৰৰ অধিবেশনত বিৰোধী পক্ষই স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ মাচুল বৃদ্ধি, গুৱাহাটীৰ বান পৰিস্থিতি, মূল্যবৃদ্ধিকে ধৰি কেইবাটাও বিষয়ক আলোচনা হোৱাৰ সম্ভাৱনা আছে। ইফালে, অধিবেশনৰ পূৰ্বে কালি অসম বিধানসভাৰ নতুন ভৱনত সকলো দলৰ নেতাসকলৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধ্যক্ষ ডাঃ নোমল মমিন, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পীযুষ হাজৰিকা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ লগতে বিধানসভাৰ ভালেসংখ্যক সদস্য উপস্থিত থাকে।

00000000

অসম মন্ত্ৰীসভাই ইছলামধৰ্মী লোকসকলৰ বিবাহৰ ক্ষেত্ৰত ১৮ বছৰ বয়সৰ তলৰ কোনো লোকৰে বিবাহ পঞ্জীয়ন নকৰাৰ বাবে এখন বিধেয়ক উত্থাপনত অনুমোদন জনাইছে। ইয়াৰ পূৰ্বে ইছলামধৰ্মী লোকসকলৰ ১৮ বছৰৰ তলৰ লোকৰো বিবাহ পঞ্জীয়ন সম্ভৱ হৈ উঠিছিল। সমগ্ৰ বিষয়টো সামৰি কেবিনেটে অসম বিধানসভাৰ পৰৱৰ্তী অধিৱেশনত উত্থাপনৰ উদ্দেশ্যে অসম বাধ্যতামূলক মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ পঞ্জীয়ন বিধেয়ক, ২০২৪-ত অনুমোদন জনাইছে। বিধেয়কখনে বিবাহৰ পবিত্ৰতাক অক্ষুণ্ণতাৰে শক্তিশালী কৰাৰ পথ প্ৰশস্ত কৰাৰ লগতে বিশেষকৈ মহিলাসকলক আইনী ধাৰণাৰ সুৰক্ষা আৰু লাভালাভ প্ৰদান কৰাৰ লগতে সমাজত বাল্য বিবাহৰ সামাজিক ব্যাধি প্ৰতিহত কৰিব। কালি মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম ভূমি আৰু ৰাজহ নিয়ামক আইন ১৮৮৬ ক ১২ নম্বৰ অধ্যায় সংযোজনৰ দ্বাৰা ৰাজ্যখনৰ কমেও আঢ়ৈশ বছৰ পুৰণি আদৰ্শ স্থানসমূহক সামৰি ঐতিহ্যখণ্ড সৃষ্টি কৰাৰ বাবে কেবিনেটে অনুমোদন জনাইছে বুলি কয়। ইয়াৰ ফলত বৰপেটা, বৰদোৱা, মাজুলী,

চৰাইদেউৰ দৰে বিভিন্ন ঐতিহ্যমণ্ডিত স্থানৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক সুৰক্ষিত কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব। অৱশ্যে মাজুলীৰ ক্ষেত্ৰত সমগ্ৰ জিলাখনকে সামৰি এই সুৰক্ষা প্ৰদানৰ নীতি প্ৰযোজ্য হ'ব। এই অঞ্চলসমূহত ৩ টা প্ৰজন্ম ধৰি বাস কৰা মানুহে ভূমি ক্ৰয় বিক্ৰী কৰিব পাৰিব। তদুপৰি ৮০ শতাংশতকৈ অধিক অনুসূচিত জাতি নাইবা অনুসূচীত জনজাতি বসবাস কৰা অঞ্চলসমূহ মাইক্ৰ' ট্ৰাইবেল বেল্ট এণ্ড ব্লক হিচাপে চিনাক্ত কৰা হ'ব। এই অঞ্চলসমূহ চিনাক্ত কৰি ১৫ ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু, উৰ্খাও গৌড়া ব্ৰহ্ম আৰু পীযুষ হাজৰিকাক লৈ গঠন কৰা সমিতিখনক নিৰ্দেশ দিয়া হৈছে। ইপিনে, মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ত গুৱাহাটী মহানগৰী নাইবা অন্য নগৰ অঞ্চলত উচ্চ হাৰৰ প্ৰিমিয়ামৰ বাবে ভূমি ক্ৰয় কৰিবলৈ সমৰ্থ নোহোৱা খিলঞ্জীয়া দৰিদ্ৰ আৰু মধ্যবিত্ত লোকক সকাহ দিবৰ বাবে প্ৰিমিয়াম হ্ৰাস কৰা সন্দৰ্ভত সিদ্ধান্ত ল'বলৈ মন্ত্ৰী যোগেন মহন আৰু অশোক সিংহলক দায়িত্ব অৰ্পন কৰা হৈছে। অৰুণোদয় আঁচনিৰ সম্প্ৰসাৰণৰ বাবেও কেবিনেটে সিদ্ধান্ত লৈছে। এতিয়ালৈকে ২৭ লাখ লোকে এই আঁচনিৰ সুবিধা লাভ কৰিছে যদিও এই আঁচনিৰ তৃতীয় পৰ্যায়ত আৰু ১২ লাখৰো অধিক লোকক ইয়াৰ দ্বাৰা সামৰি লোৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। এই ব্যৱস্থাত প্ৰতিটো সমষ্টিতে অতিৰিক্ত ১০ হাজাৰকৈ লোকক এই আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। কেৱল ৰেচন কাৰ্ড থকা লোকসকলেহে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে আত্মসহায়ক গোটৰ আন্দোলনৰ জৰিয়তে মহিলা সৱলীকৰণৰ দিশত কাম কৰা নেত্ৰীসকলক কেবিনেটে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা মিছনৰ ৫ হাজাৰ ২৪২ সামূহিক কেডাৰক জীৱিকা সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত স্কুটাৰ প্ৰদান কৰাৰ বাবে অনুমোদন জনোৱাৰ কথাও প্ৰকাশ কৰে। এই আঁচনিত বেংক সখী, কৃষি সখী, বীমা সখী, পশু সখী, মাষ্টাৰ বুক কীপাৰ আদিৰ দৰে অন্যান্য সামূহিক কেডাৰসকলক সামৰি লোৱা হ'ব। তদুপৰি মটৰ বাহনৰ বাবে বৈজ্ঞানিক আৰু যুক্তিসংগত কৰ ব্যৱস্থা আনিবলৈ কেবিনেটে অসম মটৰ বাহন কৰ আইন, ১৯৩৬-ৰ সংশোধনৰ বাবে অসম মটৰ বাহন কৰ সংশোধনী বিধেয়ক, ২০২৪ বিধানসভাত উত্থাপনৰ অনুমোদন জনাইছে। মন্ত্ৰীসভাই চি এন জিৰ ওপৰত আৰোপিত মূল্য সংযোজিত কৰ ভেট ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। ইয়াৰ উপৰি মন্ত্ৰীসভাই অসম কৰ্কট ৰোগী পৰিচৰ্যা প্ৰকল্পলৈ সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে ২০২৪-২৫ বৰ্ষৰ বাবে ২০০ কোটি টকাৰ বিত্তীয় অনুমোদন জনাইছে।

oooooooo

ৰাজ্যত প্ৰতি ইউনিট বিদ্যুতৰ মাচুল অহা ১ এপ্ৰিলৰ পৰা এটকাকৈ হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা কৰিছে। স্মাৰ্ট মিটাৰৰ বিসংগতি সন্দৰ্ভত উত্থাপিত অভিযোগ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে, প্ৰয়োজন হ'লে পৰীক্ষামূলকভাৱে মেনুৱেল মিটাৰ সংস্থাপন কৰা হ'ব। মেনুৱেল মিটাৰ আৰু স্মাৰ্ট মিটাৰৰ মাজত ব্যৱহৃত ইউনিটৰ পাৰ্থক্য দেখিলে পৰৱৰ্তী সময়ত স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। বিদ্যুৎ মাচুল হ্ৰাস কৰা অসমেই একমাত্ৰ ৰাজ্য বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ ৰাহি হোৱাৰ লগতে জনসাধাৰণে মিতব্যয়ীভাৱে বিদ্যুৎ ব্যৱহাৰ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ নিৰ্দেশত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰালয়ৰ সহযোগত বিগত বৰ্ষৰ দৰে এইবাৰো অহা ১ ছেপ্তেম্বৰৰ পৰা ১৫ ছেপ্তেম্বৰলৈ পৰিষ্কাৰ, অনাময় আৰু স্বচ্ছতাক লৈ স্বচ্ছতা পযেক উদযাপন কৰা হ'ব। সেই অনুসৰি সমগ্ৰ শিক্ষা, অসমৰ কাৰ্যবাহী সঞ্চালকে ৰাজ্যৰ সকলো জিলাৰ জিলা মিছন সমন্বয়ক, জিলাৰ কাৰ্যসূচী সমন্বয়কৈ জাননী জাৰি কৰি সকলো বিদ্যালয়ত স্বচ্ছতা পযেক উদযাপন কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। এই উপলক্ষে আয়োজিত দৈনন্দিন ভিত্তিত কাৰ্যসূচী, ফটো, ভিডিঅ' গুগল লিংকত আপলোড কৰিবলৈও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

ooooooo

শ্ৰীমন্ত মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষে বন্ধৰ দিন কাইলৈ অৰ্থাৎ ২৩ আগষ্টৰ পৰিৱৰ্তে ২৪ আগষ্ট ধাৰ্য কৰা হৈছে। নৱ বৰ্ষৰ আৰম্ভণিতে ৰাজ্য চৰকাৰে প্ৰকাশ কৰা চৰকাৰী বন্ধৰ তালিকাত কাইলৈ অৰ্থাৎ ২৩ আগষ্টৰ দিনটো শ্ৰীমন্ত মাধৱদেৱৰ তিৰোভাৱ তিথি হিচাপে উল্লেখ কৰা হৈছিল যদিও কালি এই বন্ধ ২৪ আগষ্ট, শনিবাৰে হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষণা কৰিছে।

00000000

বিজেপিৰ ৰাষ্ট্ৰীয় সমিতিৰ নিৰ্দেশমৰ্মে অহা ১ ছেপ্তেম্বৰৰ পৰা দেশৰ অন্যান্য স্থানৰ লগতে অসমতো সদস্যতা অভিযান আৰম্ভ হ'ব। কালি এই সন্দৰ্ভত অসম ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, সদস্যতা অভিযানৰ উত্তৰ পূৰৰ আহ্বায়ক ৰাজদ্বীপ ৰয়কে ধৰি ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে। অহা ১ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা সদস্য পদ গ্ৰহণ কৰিব। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ২০ ছেপ্তেম্বৰত ৰাজ্যিক পৰ্যায়তো এই অভিযান আৰম্ভ হ'ব। এই অভিযান সুকলমে পৰিচালনাৰ বাবে ৰাজ্যিক বিজেপিৰ ৩৯ খন সাংগঠনিক জিলাত ২৮ আগষ্ট পৰ্যন্ত প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

00000000

সমগ্ৰ দেশত কাইলৈ প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হ'ব। যোৱা বছৰ এই দিনটোতে চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰ যানখনে চন্দ্ৰপৃষ্ঠত নিৰাপদে অৱতৰণ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে চন্দ্ৰপৃষ্ঠৰ সংস্পৰ্শৰে জীৱনকো স্পৰ্শ কৰা- ভাৰতৰ মহাকাশ গাথা। সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱত গুৰুত্ব আৰোপ কৰি এই বিষয়বস্তু বাছনি কৰা হৈছে।

মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কয় যে এয়া প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস হ'ব আৰু এয়া অকল উদযাপনৰে দিন নহয় বৰং আত্মানুসন্ধান আৰু ভৱিষ্যতৰ বাবে কাৰ্যপন্থা যুগুতোৱাৰ দিন। ড০ সিঙে কয় যে, মহাকাশ অৰ্থব্যৱস্থা অহা ১০ বছৰত ৫ গুণ বৃদ্ধি পাই ৪ হাজাৰ ৪শ কোটি ডলাৰ হোৱাৰ সম্ভাৱনা আছে।

0000000

ৰাজ্য চৰকাৰে ২০২৩ বৰ্ষৰ বাবে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰসিদ্ধ নৃত্যশিল্পী ড° সোণাল মানসিঙলৈ আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাৰতীয় শাস্ত্ৰীয় নৃত্যশিল্পী ড° মানসিং ভাৰত নাট্যম আৰু ওডিচি নৃত্য শিল্পীৰ গুৰু। মুম্বাইত ১৯৪৪ চনত জন্মগ্ৰহণ কৰা মানসিঙে ১৯৬২ চনৰ পৰা নৃত্যৰ অনুশীলন আৰম্ভ কৰে। মুম্বাইত আৰংগাত্ৰমৰ পাছত তেওঁ ১৯৭৭ চনত নতুন দিল্লীত চেণ্টাৰ ফৰ ইণ্ডিয়ান ক্লাচিকেল ডান্স নামৰ অনুষ্ঠানটো প্ৰতিষ্ঠা কৰে। ১৯৮৭ চনত সংগীত নাট একাডেমী বঁটা লাভ কৰা ড° মানসিঙক কেন্দ্ৰীয় চৰকাৰে ১৯৯২ চনত পদ্মভূষণেৰে সন্মানিত কৰে। ৰাজ্য চৰকাৰে প্ৰদান কৰি অহা শ্ৰীমন্ত শংকৰদেৱ বঁটাত আছে – ৫০ লাখ টকা, এটা সোণৰ পদক আৰু এখন প্ৰশস্তি পত্ৰ। নৱেম্বৰ মাহত ৰাজ্যত আয়োজিত হ'বলগীয়া এটা অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।

00000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ

পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত কালি সন্ধিয়া শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত অনুষ্ঠিত এটা অনুষ্ঠানত শিক্ষাবিদ তথা সাহিত্যিক সোণাৰাম বৰুৱাক শিৱসাগৰ ৰত্ন উপাধি প্ৰদান কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা, সাহিত্যাচাৰ্য ড০ নাহেন্দ্ৰ পাদুন, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জীতেন হাজৰিকা, সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকা আৰু সোণোৰাম বৰুৱাৰ সহধৰ্মিনী কিৰণ বৰুৱা সন্মানীয় ব্যক্তি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানতে শিৱসাগৰ জিলা সাহিত্য সভাৰ লেখক-লেখিকা সমিতিৰ সৌজন্যত সম্পাদনা কৰা **শিৱসাগৰৰ লেখক কোষ**ৰ উন্মোচন কৰা হয়।

০০০০০০০

ভাৰতৰ সতীশ কুমাৰ কৰুণা কৰণে য়োকোহামাত অনুষ্ঠিত জাপান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। প্ৰথম ৰাউণ্ডত কালি ডেনমাৰ্কৰ প্ৰতিদ্বন্দ্বী এণ্ড্ৰ্ছ এণ্টনছেনে আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰাত সতীশ কুমাৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কৰুণাকৰণ আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ কাণ্টাফোন ৱাংচাৰোৱেনৰ সন্মুখীন হ'ব।

০০০০০০০

———অসম ভূমি ৰাজহ আইনত দ্বাদশ অধ্যায়ৰ সংযোজন, স্মাৰ্ট মিটাৰক লৈ ৰাজ্যজুৰি প্ৰতিবাদ, আজিৰে পৰা বিধানসভাৰ শৰৎকালীন অধিৱেশন আদি বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ৰাজ্যৰ ভূমি আইনত কেইবাটাও সংশোধনী প্ৰস্তাৱেৰে সেই সম্পৰ্কীয় বিধেয়ক আজিৰ পৰা অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ অধিৱেশনত উত্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই বাতৰিটো আজি প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে।

নিয়মীয়া বাৰ্তা কাকতে এই বাতৰি বৰপেটা-বটদ্ৰৱা-মাজুলীত ৩ প্ৰজন্মই বাস কৰা লোককহে ভূমি ক্ৰয়-বিক্ৰয়ৰ অনুমতি, দৈনিক জনমভূমি কাকতে ঐতিহ্য ক্ষেত্ৰৰ মাটি কিনা-বেচাত চৰ্ত, আমাৰ অসম কাকতে উত্থাপন হ'ব খিলঞ্জীয়াৰ ভূমি ক্ৰয়-বিক্ৰয়সহ ১৩খন বিধেয়ক, দৈনিক অগ্ৰদূত কাকতে মাটি ক্ৰয়-বিক্ৰয়ৰ মাপকাঠি হ'ব তিনিটা প্ৰজন্ম, দি আছাম ট্ৰিবিউন কাকতে MAJULI DECLARED PROTECTED AREA , দা ছেণ্টিনেল কাকতে CABINET APPROVES BILL TO PROTECT BARPETA, BATADRAVA AND MAJULI শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে। সুদীৰ্ঘ ১৩ বছৰ মূৰত লোকপিয়ল সম্পন্ন কৰিবলৈ এন ডি এ চৰকাৰ সাজু হোৱা সন্দৰ্ভত এটা বাতৰি অসমীয়া খবৰ কাকতে জনগাঁথনিঃ ছেপ্তেম্বৰত আৰম্ভ লোকপিয়ল শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। দৈনিক অসম কাকতে ৰাজ্যজুৰি স্মাৰ্ট মিটাৰক কেন্দ্ৰ কৰি প্ৰতিবাদী কাৰ্যসূচী হোৱাৰ বাতৰি স্মাৰ্ট মিটাৰ লুণ্ঠন, ক্ষোভৰ উদগীৰণ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে স্মাৰ্ট মিটাৰ বন্ধৰ দাবীত উত্তাল বিক্ষোভ শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – শ্ৰীমন্ত শংকৰদেৱ ৰাষ্ট্ৰীয় বঁটা নৃত্য পটীয়সী সোণাল মানসিংলৈ, পোলেণ্ডত উপস্থিত প্ৰধানমন্ত্ৰী মোদী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব ল'লে ড০ ননীগোপাল মহন্তই, চীট ফাণ্ডৰ নামত ৭ হাজাৰ কোটি টকা আত্মসাৎ কৰি প্ৰৱঞ্চক দীপাংকৰ পলাতক ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

সমাপ্ত